নিয়মীয়া বাৰ্তা
মঙলবাৰ, ২৪ ছেপ্টেম্বৰ ২০২৪

**২৭ ছেপ্টেম্বৰত লক্ষ্মীৰাম বৰুৱা সদনত হ'ব উদ্বোধনী অনুষ্ঠান**

# অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ শতবাৰ্ষিকী অনুষ্ঠান

## ১৯২৪ চনত প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত এইচএমভিয়ে বাণীবদ্ধ কৰিছিল প্ৰথমটো অসমীয়া গানৰ ৰেকৰ্ড



অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ শতবৰ্ষ

ষ্টাফ ৰিপ'ৰ্টাৰ, ২৩ ছেপ্টেম্বৰ ঃ তথ্য প্ৰযুক্তিয়ে সফলতাৰ শিখৰ আৰোহণ কৰাৰ বহু বছৰ পূৰ্বে অৰ্থাৎ ১৯২৪ চনত ছেপ্টেম্বৰ মাহত ৰাইজৰ সন্মুখলৈ আহিছিল প্ৰথম অসমীয়া গ্ৰামোফোন ৰেকৰ্ড। বিশিষ্ট শিল্পী চাহ খেতিয়ক প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ ১৫ পৃষ্ঠাত






# অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ শতবাৰ্ষিকী অনুষ্ঠান

সুললিত কণ্ঠত চাৰিটা গীত বাণীবদ্ধ কৰি এইচএমভি অৰ্থাৎ হিজ মাষ্টাৰ্ছ ভয়চ নামৰ কোম্পানীটোৱে অসমীয়া ৰাইজৰ সন্মুখলৈ উলিয়াই দিছিল ৰেকৰ্ডখন। উক্ত পৰিঘটনাই চলিত ছেপ্টেম্বৰ মাহত শতবৰ্ষত পদাৰ্পণ কৰিব। অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ এই শতবৰ্ষীয় যাত্ৰাক ৰাইজৰ সন্মুখলৈ নিয়াৰ উদ্দেশ্যে অহা ২৭ ছেপ্টেম্বৰত দীঘলী পুখুৰীত সংগীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা সদনত অনুষ্ঠিত কৰা হ'ব অসমীয়া গ্ৰামোফোন ৰেকৰ্ডৰ শতবৰ্ষৰ শুভাৰম্ভণিৰ কাৰ্যসূচী। গুৱাহাটী প্ৰেছ ক্লাবত আজি আয়োজিত এখন সংবাদ মেলত এই কথা সদৰী কৰিছে বিশিষ্ট শিল্পী তথা শতবৰ্ষ উদ্‌যাপন সমিতিৰ সভাপতি লোকনাথ গোস্বামীয়ে। গ্ৰামোফোনৰ মাধ্যমেৰে অসমীয়া সংগীতৰ সোণসেৰীয়া যাত্ৰাক নৱপ্ৰজন্মৰ মাজলৈ নিয়াৰ উদ্দেশ্যে এই কাৰ্যসূচী হাতত লোৱা হৈছে। তেওঁ কয় যে প্ৰয়াত শিল্পী প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ কণ্ঠত এইচএমভি কোম্পানীয়ে চাৰিটা গীত গ্ৰামোফোন ৰেকৰ্ডত বাণীবদ্ধ কৰিছিল। উক্ত গীতকেইটা আছিল ক্ৰমে উমেশ চৌধুৰীৰ কথাৰে 'অসমা নিৰুপমা জননী', ৰাধানাথ ফুকনৰ কথাৰে 'কিয়নো পাহৰা অসমীয়া', প্ৰসন্নলাল চৌধুৰীৰ কথাৰে 'ফুলো ফুলিলে জোনায়ে হাঁহিলে' আৰু 'হৃদয় বিদাৰি উঠে শত বেদনাৰে'। উক্ত আটাইকেইটা গীত সুৰ কৰিছিল প্ৰফুল্ল চন্দ্ৰ বৰুৱাই নিজে। অহা ২৭ ছেপ্টেম্বৰত হ'বলগীয়া অনুষ্ঠানটোত অসমীয়া আধুনিক গীতৰ ভেটি নিৰ্মাণত বিশেষ ভূমিকা থকা মহীৰুহ প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাক গানকেইটাৰ জৰিয়তে শ্ৰদ্ধাঞ্জলি জনোৱা হ'ব। সেইদিনাখনে অসমীয়া আধুনিক সংগীতৰ ওপৰত এক স্মাৰক বক্তৃতা প্ৰদান কৰিব লোকনাথ গোস্বামীয়ে। সংবাদ মেলত অংশ লৈ সমিতিৰ সম্পাদক তথা প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ আজোনাতি জাহ্নৱী ফুকন আৰু আত্ৰেয়ী বৰুৱাই কয় যে অনুষ্ঠানটো আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামীয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰিব। বছৰজোৰা কাৰ্যসূচীৰে চলিবলগীয়া এই অনুষ্ঠানটো পৰৱৰ্তী সময়ত তেজপুৰ, ডিব্ৰুগড়, উত্তৰ গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰা হ'ব। অনুষ্ঠানটোত অংশ লৈ সমিতিৰ উপ-সভাপতি দিলীপ কুমাৰ কলিতাই সেইদিনাখন অনুষ্ঠানটোত কেইবাগৰাকীও শিল্পীয়ে প্ৰয়াত প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গীতসমূহ পৰিৱেশন কৰাৰ লগতে প্ৰথম অসমীয়া গ্ৰামোফোন ৰেকৰ্ডখনে ৰাইজৰ অৰ্থে প্ৰদৰ্শিত কৰাৰ ব্যৱস্থা লোৱা হ'ব।